# স্পষ্টীকৰণ

যোৱা ইং ২৪-০৭-২০১৫ তাৰিখে “দৈনিক অগ্ৰদূত” কাকতত প্ৰকাশিত “নাগৰিক সমিতিৰে যোগযোগ ৰক্ষা কৰাত ব্যৰ্থ আৰক্ষী” শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত স্পষ্ট কৰি দিয়া হয় যে, গুৱাহাটী মহানগৰীত জনসংখ্যা বৃদ্ধিৰ লগতে বিভিন্ন কাৰণত ক্ৰমাৎ মহানগৰীৰ বিভিন্ন থানাসমূহত গোচৰৰ সংখ্যা বৃদ্ধি পোৱাটো স্বাভাৱিক। এই গোচৰসমূহৰ তদন্ত কৰি বিহিত ব্যৱস্থা লোৱা হয়। অপৰাধ নিয়ন্ত্ৰণৰ লক্ষ্য আগত ৰাখি দৈনিক নতুন পন্থা অৱলম্বন কৰাৰ লগতে ‘পাপা গাড়ী’ বৃদ্ধি কৰা আৰু গুৱাহাটীৰ কিছুসংখ্যক নিৰ্দিষ্ট স্থানত “ভ্ৰাম্যমাণ পুলিচ সেৱা” আগবঢ়াবলৈও সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰত্যেকখন থানাত একোখনকৈ নাগৰিক সমিতি গঠন কৰি সময়ে সময়ে নাগৰিক সভা অনুষ্ঠিত কৰি বিভিন্ন সমস্যা সমাধান কৰাৰ উপৰিও নাগৰিক সমিতিৰ সদস্যৰ সহযোগত অনৈতিক কাৰ্য্যকলাপ বন্ধ কৰা আদিকে লৈ বিভিন্ন আইন-শৃংখলাজনিত কাৰ্য্য ইতিমধ্যে সমাপন কৰি অহা হৈছে। ইয়াৰ উপৰিও, গাঁওৰক্ষী বাহিনীৰ সহযোগত নৈশ পহৰাৰো ব্যৱস্থা কৰা হৈছে। সৰু-সুৰা গোচৰ মীমাংসাৰ ক্ষেত্ৰত নাগৰিক সমিতিক কৰ্তৃত্ব প্ৰদান কৰা হোৱা নাই আৰু এই বিষয়ত এক প্ৰতিবেদন নুনমাটি থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ পৰা বিচৰা হৈছে। তদুপৰি, গুৱাহাটী মহানগৰ গাওঁৰক্ষী বাহিনীক মাননী মুকলি কৰি দিয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে। উল্লেখনীয় যে, প্ৰত্যেক পঞ্জীয়ণকৃত গাঁও ৰক্ষী বাহিনীক মাহিলি ৫০০ টকাকৈ মাননী দিয়াৰ ব্যৱস্থা আছে কিন্তু কোনো সদস্যক ব্যক্তিগতভাৱে মাননী দিয়াৰ ব্যৱস্থা নাই। গাঁওৰক্ষী বাহিনীৰ সদস্য সকলৰ বাবে আবন্টিত সামগ্ৰীসমূহ সময়ে সময়ে বিতৰণ কৰি থকা হৈছে। এই সা-সামগ্ৰীসমূহৰ ভিতৰত টৰ্চ লাইট, কম্বল, ছাতি, ৰেইন কোট, লাঠি, হুইছেল আদি অন্তৰ্ভুক্ত। ব্যক্তিগতভাৱে কোনো সদস্যক পোচাক দিয়াৰ ব্যৱস্থা নাই। গাঁওৰক্ষী বাহিনীৰ যোগাযোগৰ সুবিধাৰ্থে প্ৰত্যেক গাঁওৰক্ষী বাহিনীৰ সম্পাদকক একোটাকৈ ম’বাইল ফোন দিয়াৰ ব্যৱস্থা কৰা হৈছে।

Sd/- 27/7/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ২৪-০৭-২০১৫ তাৰিখে দৈনিক “জনসাধাৰণ” কাকতত প্ৰকাশিত “পাণ্ডুত জুৱাৰ অবৈধ বেহা” শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত স্পষ্ট কৰি দিয়া হয় যে জালুকবাৰী থানাৰ অন্তৰ্গত পাণ্ডু অঞ্চলত বিশেষকৈ ৰেলৰে লাইনৰ আশে-পাশে জুৱা খেলৰ বিৰুদ্ধে আৰক্ষীয়ে সময়ে সময়ে অভিযান চলাই আহিছে। তদুপৰি উক্ত স্থানৰ কিছু অংশ GRP ৰ অধীনত হোৱা হেতুকে GRP তথা RPF ৰ লগতো যুটীয়াভাৱে মহানগৰ আৰক্ষীয়ে অভিযান চলায়। বাতৰিটোত অভিযোগ কৰাৰ দৰে আৰক্ষীয়ে এইক্ষেত্ৰত কেতিয়াও নিষ্ক্ৰিয় ভূমিকা গ্ৰহণ কৰা নাই আৰু এই অভিযোগ সম্পূৰ্ণ ভিত্তিহীন। এনেধৰণৰ অ-সামাজিক কাৰ্য্যকলাপ নিৰ্মূল কৰিবৰ বাবে ৰাইজৰো সহায়-সহযোগিতা মহানগৰ আৰক্ষীয়ে কামনা কৰিছে।

আনহাতে, যোৱা ইং ২০-০৭-২০১৫ তাৰিখে জালুকবাৰী থানাৰ অন্তৰ্গত পাণ্ডু অঞ্চলত স্থানীয় লোকে ৰাজা আলী নামৰ এজন ব্যক্তিক পকেট মাৰিবলৈ লোৱা অৱস্থাত ধৰা পেলায় আৰু আৰক্ষীক খবৰ দিয়াত আৰক্ষীৰ দলে ব্যক্তিজনৰ বিৰুদ্ধে এজাহাৰৰ ভিত্তিত জালুকবাৰী থানাত 565/15, u/s 379,511 নং এটি গোচৰ ৰুজু কৰে।

27/7/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী